بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**২০২৩ চনৰ বৃটেইনৰ বাৰ্ষিক জলছা সম্পৰ্কে ঐশ্বৰিক ফজলৰ ঈমান বৰ্দ্ধক বৰ্ণনা**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৪ আগষ্ট ২০২৩ চনত মছজিদ বায়তুল ফুতুহ বৃটেইনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ۔ اَلۡحَمۡدُ لِلّٰہِ رَبِّ الۡعٰلَمِیۡنَ۔ الرَّحۡمٰنِ الرَّحِیۡمِ۔ مٰلِکِ یَوۡمِ الدِّیۡنِ۔ اِیَّاکَ نَعۡبُدُ وَ اِیَّاکَ نَسۡتَعِیۡنُ۔ اِہۡدِنَا الصِّرَاطَ الۡمُسۡتَقِیۡمَ۔ صِرَاطَ الَّذِیۡنَ اَنۡعَمۡتَ عَلَیۡہِمۡ ۬ۙ غَیۡرِ الۡمَغۡضُوۡبِ عَلَیۡہِمۡ وَ لَا الضَّآلِّیۡنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আলহামদুলিল্লাহ ! খোদা তা'লাৰ কৃপাত যোৱা জুমাৰ পৰা দেউবাৰলৈকে জামাত আহমদীয়া বৃটেইনৰ বাৎসৰিক জলছা অতি সুকলমে অনুষ্ঠিত হৈ গ'ল। এই বছৰ জলছাত সমৱেত হোৱা লোকৰ সংখ্যা যোৱা বছৰতকৈ তুলনামূলক ভাৱে বহুত বেছি হৈছে। এই সম্পৰ্কে আমি আল্লাহ তা'লাৰ শলাগ লৈ অন্ত পেলাব নোৱাৰো। আল্লাহ তা'লাৰ অশেষ কৃপা এই যে সি আমাৰ এই জলছাক অসীম বৰকতেৰে ভৰপুৰ কৰিছে।

আমি অতকৈ দুৰ্বল আৰু আমাৰ সকলো কাম আল্লাহ তা'লাৰ কৃপাতহে সম্পূৰ্ণ হোৱাটো সম্ভৱ হয়। জামাতে আহমদীয়া প্ৰত্যহ আল্লাহ তা'লাৰ এই বাণী উপলব্ধি কৰি থাকে যে যদি তোমালোকে আল্লাহ তা'লাৰ অনুগ্ৰহৰাজি গণনা কৰিব বিচৰা তেন্তে সেয়া তোমালোকে কেতিয়াও সীমাৰ ভিতৰত লৈ আনিব নোৱাৰা। গতিকে আমি তাৰ শলাগ লোৱাই শ্ৰেয়। আল্লাহ তা'লাৰ ফজল ও কৃপাৰ নিমিত্তে আমি তাৰ আগত নতশিৰ হোৱাটো আমাৰ বাবে ফৰজ। যেতিয়ালৈকে আমি আমাৰ এই ফৰজ আদায় কৰি থাকিম ইনশা আল্লাহ আমাৰ খোজ আগলৈ বাঢ়ি যাব। গতিকে জলছাৰ পৰিচালক মণ্ডলী,কৰ্মী বৃন্দ সকল আৰু জলছাত যোগদান কৰা সকল, আমি সকলোৱে আল্লাহৰ তা'লাৰ শলাগ লোৱা উচিত।

এতিয়া মই জলছাৰ কৰ্মীবৃন্দ সকলৰ শলাগ ল'ব বিচাৰো। কৰ্মী বৃন্দই নিজৰ দায়িত্ব বৰ নিয়াৰিকৈ পালন কৰিছে। হাঁহিমুখেৰে আনন্দচিত্তে অসাধাৰণ ভাৱে নিজৰ নিজৰ কৰণীয় কৰ্তব্য পালন কৰিছে। আন আন বছৰত খোৱা-লোৱাৰ ক্ষেত্ৰত মহিলা সকলৰ ফালৰ পৰা যিবোৰ অভিযোগ উত্থাপিত হৈছিল এই বছৰত তেনে অভিযোগ

আদি হোৱা নাই বুলিয়ে ক'ব পাৰো। এনেদৰে যান-বাহনৰ বিভাগ,ৰন্ধা বিভাগ, ৰুটি বনোৱা বিভাগ, পহৰাদাৰ, ছাফাই আৰু বিশেষকৈ এম.টি.এ আদি সকলোৱে নতুন ধৰণে গোটেই বিশ্বক জলছাৰ সৈতে হাঙুৰি ৰাখিছে। সমস্ত বিভাগ সমূহ যিবোৰৰ মই নাম উল্লেখ কৰিছোঁ আৰু যিবোৰৰ নাম উল্লেখ কৰা নাই সকলোৰে এই আন্তৰিকতাৰে শলাগ যাঁচিছো।

অআহমদী লোক যি সকলে বৰ্হিদেশৰ পৰা আহিছিল তেওঁলোকে জলছা সম্পৰ্কে যিবোৰ মতামত, মন্তব্য আগবঢ়াইছে তাৰে কিছুমান মন্তব্য মই আজি উল্লেখ কৰিম।

বৰকিনাফাছোৰ বিখ্যাত চকু চিকিৎসক এজনে কৈছে যে হাজাৰ হাজাৰ লোক মাত্ৰ এটা উদ্দেশ্য আগত লৈ এখন ঠাইত এজন ধৰ্মীয় নেতাৰ ওচৰত সমৱেত হৈছে। ইমান সুন্দৰ শৃংখলাপূৰ্ণ আৰু বহল ব্যৱস্থাপনা মোৰ বাবে বৰ আচৰিত কথা।

আমেৰিকাৰ এজন আইন কলেজৰ অধ্যাপক তেওঁ কয় যে মইয়ো এনেকুৱা বিশ্ব মহাসভাৰ পৰিচালনাত থাকিছো য'ত লোকৰ ৰেজিষ্ট্ৰেচনৰ ব্যৱস্থা কৰা আছিল। কিন্তু এই বাৰ্ষিক জলছাত যিমান শৃংখলাপূৰ্ণ ৰেজিষ্ট্ৰেচন পদ্ধতি ব্যৱহাৰ কৰা হৈছে সেয়া বৰ বিস্ময়কৰ ব্যৱস্থাপনাৰ দৃশ্য।

বেলিজৰ এখন চহৰৰ মেয়ৰ জলছালৈ আহিছিল, তেওঁ কৈছে যে মই মোৰ জীৱনত এনেকুৱা শান্তিপূৰ্ণ আৰু চেনেহময় লোক আজিলৈ কতো দেখা নাই। মই আজি ইয়াতে যি ৰূহানি আৰু ভ্ৰাতৃত্ববন্ধনৰ পৰিৱেশ দেখিবলৈ পাইছো সেয়া মোৰ বাবে কল্পানাতীত।

ইণ্ডোনেচীয়াৰ ধৰ্মীয় বিষয়ৰ প্ৰাক্তন মন্ত্ৰীয়ে কয় যে আপোনালোকৰ এই ধ্বনি ভালপোৱা সকলোৰে বাবে ঘৃণা কাৰো বাবে নহয়। বিমান বন্দৰৰ পৰা লৈ জলছা পৰ্যন্ত সকলোতে দেখিবলৈ পাই আছো।

গাম্বিয়াৰ যোগাযোগ মন্ত্ৰী জলছাত জলছাত অংশগ্ৰহণ কৰিছিল। তেওঁ কয় যে মই এই জলছাৰ সকলো ব্যৱস্থাপনা চাই বৰ প্ৰভাৱিত হৈছো। ইমান ডাঙৰ জনসমাৱেশত কতো কোনো কোলাহল,লড়াই তৰ্ক-বিতৰ্কৰ এটা ঘটনাও দেখিবলৈ পোৱা নাই। আন এটা কথা মই লক্ষ্য কৰিছোঁ সেয়া হ'ল নিজৰ ইমামৰ প্ৰতি জামাতৰ সদস্য বৃন্দৰ যি প্ৰেমময় সম্পৰ্ক ইয়াৰ দৃষ্টান্ত পৃথিৱীৰ আন কতো দেখিবলৈ পোৱা নাযায়।

ব্ৰাজিলৰ পৰা অহা এজন প্ৰতিনিধিয়ে কয় যে ১১৮ খন দেশৰ পৰা ইয়ালৈ অহা লোক একেলগে ভাই ভাই হিচাপে থকা মেলা, খোৱা-বোৱা কৰা, বেলেগৰ পক্ষে সম্ভৱ নহয়। সকলোৱে পৰস্পৰে এনেদৰে উত্তম নৈতিকতা, সহানুভূতি আনন্দচিত্ত আৰু সন্মানৰ সৈতে মিলি-জুলি থকাটো মোৰ ওচৰত বৰ ভাল লাগিছে। অতিথি সকলৰ বাবে যান-বাহনৰ বৰ সুন্দৰ ব্যৱস্থা কৰা আছিল।

স্পেইনৰ এজন অতিকৈ চহকী ব্যক্তি জলছাত যোগদান কৰিছিল তেওঁ কৈছে যে বৰ্তমান যুগত জামাত আহমদীয়াই উচ্চ পৰ্যায়ৰ দক্ষতা আৰু আপ্ৰাণ চেষ্টাৰ কাৰ্যকৰী দৃষ্টান্ত স্থাপন কৰিছে।

ইটালীৰ এজন লিখকে কৈছে যে আগতে মই এই জলছা সম্পৰ্কে পঢ়িছিলো কিন্তু জলছাত অংশ গ্ৰহণ কৰাটো এটা বেলেগ জ্ঞান অন্বেষণ সেতু। এই জলছাত আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয় যিটো মই দেখিবলৈ পাইছো সেয়া হ'ল নামাজ।

ছেনেগালৰ এজন ৰেজিয়নাল গভৰ্নৰে কয় যে মই এনেকুৱা প্ৰেম প্ৰীতিপূৰ্ণ পাৰস্পাৰিক সম্পৰ্কৰ আন এটা উদাহৰণ মই কতো দেখা নাই। হজৰত মছীহ মাওউদ (আঃ)ৰ লিখনিবোৰ মোক বাৰুকৈয়ে প্ৰভাৱিত কৰিছে। জলছাত প্ৰত্যেকেই নিজতকৈ আনক বেছি প্ৰাধান্য দিছে।

কলম্বিয়াৰ এজন অতিথিয়ে কয় যে মই ইয়াৰে শান্তিপূৰ্ণ পৰিৱেশ,ভ্ৰাতৃত্ববোধ,প্ৰেম, যুগৰ খলিফাৰ জ্ঞান গভীৰ

ভাষণ আৰু জামাতী সদস্য সকলক চাই বৰকৈ অনুপ্ৰাণিত হৈছো।

চিলিৰ পৰা তিনিজন লোক জলছালৈ আহিছিল। এওঁলোক ঈছাই সংগঠনৰ প্ৰতিনিধি আছিল। ইয়াৰে এজন লোকে কৈছে যে আপোনালোকৰ জামাত এটা শৰীৰৰ দৰে যুগৰ খলিফা সেই শৰীৰৰ মস্তষ্ক আৰু মগজ হয় আৰু বাকী জামাত শৰীৰৰ অংগ প্ৰতংগৰ দৰে, যিয়ে মগজৰ নিৰ্দেশ অনুযায়ী ক্ৰিয়াশীল হৈ পৰে।

স্পেইনৰ পৰা এজন জেৰে তবলিগ বন্ধুৱে কয় যে এই জলছাত মোৰ সৈতে এজন ৰজাৰ দৰে আচৰণ প্ৰদৰ্শন কৰিছে। আহমদী স্বেচ্ছাকৰ্মী সকলে এই চল্লিছ হাজাৰ অতিথিৰ অক্লান্ত পৰিশ্ৰমেৰে খিদমত কৰাটো এটা মজিজা স্বৰূপ। নিশ্চয় এই জলছাৰ মূল খোদা তা'লাৰ সৈতে গঁথিত আছে।

কানাডাৰ এজন পাৰ্লিয়ামেণ্টৰ সদস্যয় কয় যে জলছালৈ অহাটো মোৰ বৰ সুন্দৰ কথা হৈছে। এই জলছাৰ পৰা নিজৰ ধৰ্মলৈ আনুগত্য আৰু স্বেচ্ছাকৃত ভাৱে কাম কৰাৰ প্ৰেৰণা পালো।

তুৰস্কৰ পৰা কেইজন মান প্ৰিণ্টিং প্ৰেছৰ মালিক জলছালৈ আহিছিল। সিহঁতৰ মাজৰ পৰা এজনে কয় যে ইমান ডাঙৰ ইজতেমা আপোনালোকে যি দক্ষতাৰে অনুষ্ঠিত কৰিছে এয়া মোৰ বাবে বৰ আচৰিত কথা। মোৰ বাবে আৰু এটা আচৰিত কথা হ'ল এয়া যে ইয়াতে মই কাকো ধুমপান কৰোঁতে দেখা নাই।

লটুবিয়াৰ পৰা অহা এজন সমাজকৰ্মীয়ে কয় যে এই জলছাৰ পৰা মই ইছলাম সম্পৰ্কে জানিবলৈ সুযোগ পাইছো। মই ওভতি গৈ ঘৰতে কোৰাণ কৰিম পঢ়িম আৰু মই নিজৰ জ্ঞানৰ পৰিধি বহল কৰিবলৈ চেষ্টা কৰিম।

দুৰদৰ্শনত জলছা দেখি থকা সকলৰ কিছুমান মন্তব্য ইয়াতে উল্লেখ কৰিবলৈ আছে। কঙ্গো ব্ৰাজবিলৰ পৰা জামাতৰ মোবাল্লিগ চাহাবে লিখিছে যে এজন ঈছাই বন্ধুক জলছা শুনিবলৈ মতা হৈছিল। জলছাৰ শেষত উপস্থাপন কৰা ভাষণ শুনি তেওঁ কয় যে যদি বিশ্বৰ প্ৰত্যেক দেশৰ শাসন বিভাগে এই শিক্ষাৰ ওপৰত আমল কৰিবলৈ লয় তেন্তে পৃথিৱীৰ পৰা দৰিদ্ৰতা যদিও শেষ নহয় তথাপি কমপক্ষে জগতত কোনেও ৰাতি লঘোনে শুই থাকিব নালাগিব। যেনেকৈ ইছলামক খলিফাই নিজৰ জামাতৰ সদস্য বৃন্দৰ প্ৰতি দৃষ্টি ৰাখে, তেনেকৈ যদি আমাৰ নেতৃবৃন্দ সকলে আমাৰ ওপৰত চকু ৰাখিলেহেঁতেন তেন্তে জগতখন জান্নাতত পৰিণত হলহেঁতেন।

আইচল্যাণ্ডৰ পৰা এজন বিশ্ব শান্তিৰ মিচনাৰীয়ে কয় যে জামাতৰ সকলো সদস্য বৃন্দ যাৰ লগতেই মোৰ সাক্ষাৎ হৈছে সকলোৱেই বৰ কোমল অন্তৰৰ মানুহ আৰু সদায় খিদমত কৰাৰ নিমিত্তে সাজু হৈ থকা আৰু বৰ উত্তম অতিথি আলপৈচানকাৰী লোক। জলছাত থকা মেলাৰ বৰ উত্তম ব্যৱস্থা কৰা হৈছিল। হাইটিৰ এজন পুলিচ প্ৰতিনিধিয়ে কয় যে আহমদীয়া মুছলিম জামাতৰ জলছাত যোগদান কৰি মই এজন ঈছাই হোৱা সত্বেও মই ধৰ্ম সম্পৰ্কে বহু কথা জানিবলৈ সুযোগ পাইছো।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আল্লাহ তা'লাৰ কৃপাত এনেকুৱা আৰু বহু ঘটনা,বৰ্ণনা, মন্তব্য আৰু লোকৰ ধাৰণা আদিৰ টোকা মোলৈ আহি পাইছে। আল্লাহ তা'লা এই জলছাৰ এনেকুৱা কল্যাণমূলক ফলাফল প্ৰদান কৰক, যিবোৰ গৈ আহমদী সকলৰ জীৱনক চিৰন্তৰে আল্লাহ তা'লাৰ সৈতে সংলগ্ন কৰি দিয়ে। ঈমান আৰু বিশ্বাস বৃদ্ধি হওঁক আৰু হজৰত মছীহ মাওউদ (আঃ)ৰ আগমনৰ উদ্দেশ্য পূৰ্ণ হওঁক।

এনেদৰে বেলেগৰ ওপৰতও ইয়াৰ প্ৰভাৱ বিস্তাৰ হওঁক আৰু সেয়া ক্ৰিয়া যেন সাময়িক নহয় বৰং এটা ধাৰাবাহিকতাৰে তেওঁলোকৰ জ্ঞান উন্মোচন কৰোঁতা যেন হয়।

মিডিয়াৰ জৰিয়তে জলছাৰ প্ৰোগ্ৰাম বিলাক দেখুৱা আৰু শুনোৱা হৈছে। আফ্ৰিকাৰ ২৪ টা মান টি.ভি চ্যানেলে মোৰ সম্পূৰ্ণ ভাষণ প্ৰচাৰ কৰিছে আৰু প্ৰায় চল্লিছ মিলিয়ন লোকে এই ভাষণ শুনিবলৈ পাইছে। সাংবাদিক লিখক সকলৰ বাবে মিডিয়া চেণ্টাৰ নিৰ্মাণ কৰা হৈছিল। তাতে তেইশজন মিডিয়াৰ লোক আৰু সাংবাদিক সকলে জলছা

শুনিছে আৰু নিতৌ ৰিপোৰ্ট বনাই দিছে।

সমূহীয়া হিচাপত ৭২ টা মিডিয়া ৰিপোৰ্ট তৈয়াৰ কৰা হৈছে, যিবোৰ প্ৰায় ৫০ মিলিয়ন লোকলৈ পৌচাই গৈছে। ৪২ টা ওয়েব ছাইটত খবৰ প্ৰচাৰ কৰা হৈছে। আনফালে জলছা সম্পৰ্কে পোন্ধৰটা বৰ্ণনা মূলক মন্তব্য বাতৰি কাকতত ছপা কৰা হৈছে। বিভিন্ন টি.ভি চেনেলত চৈধ্যটা মান বৰ্ণনামূলক লিখনি প্ৰচাৰ কৰা হৈছে। ৰেডিঅ চেণ্টাৰত ৩৭ টা খবৰ প্ৰচাৰিত হৈছে।

যিয়েই নহওঁক আল্লাহ তা'লা হে জলছাক সকলো ফালেৰে বৰকতময় কৰক। আল্লাহ তা'লা সদায় আমাক বিনম্ৰ আৰু শলাগি ব্যক্তি হোৱাৰ বাবে আৰু নিজৰ সংশোধন কৰাৰ বাবে তৌফিক দান কৰক।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 4 AUG 2023**

## BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844